# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-FEB-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

——————————————

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানি গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সম্পৰ্কীয় গোচৰৰ শুনানিৰ বাবে এখন FAST TRACK আদালত গঠন সন্দৰ্ভত প্ৰয়োজন হ'লে অহা ২৬ ফেব্ৰুৱাৰীত মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান এই FAST TRACK আদালত গঠনক লৈ ৰাজনীতি চলি আছে। এই গোচৰৰ শুনানি কালত এতিয়ালৈকে ন্যায়াধীশে সকলো জামিন আবেদন নাকচ কৰা, দুজন অভিযুক্তই নিজৰ জামিন আবেদন প্ৰত্যাহাৰ কৰাৰ বিষয়ে উল্লেখ কৰি ডঃ শৰ্মাই বৰ্তমান বিচাৰ চলি থকা আদালতখনৰ পৰা গোচৰটো আন ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰাৰ ষড়যন্ত্ৰ চলিছে বুলি অভিযোগ কৰিছে। এই সমগ্ৰ বিষয়সমূহ পৰৱৰ্তী মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**ৰাইট**

oooooo

অসম-অৰুণাচল প্ৰদেশ সীমা সমস্যা সমাধানৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কালি সীমান্তৱৰ্তী চিজুছা বিন্দুত আন্তঃৰাজ্যিক সীমা স্তম্ভ স্থাপন কৰা হয়। অৰুণাচল প্ৰদেশৰ পাকেকেচাং আৰু অসমৰ বিশ্বনাথ জিলাৰ সীমান্ত অঞ্চলত বৰ্তমানলৈকে প্ৰায় ৮০ শতাংশ সীমা নিৰ্ধাৰণৰ কাম সফলভাৱে সম্পন্ন কৰা হৈছে। ৰাজ্য দুখনৰ মাজৰ সীমা সমস্যা সমাধানৰ বাবে ইতিমধ্যে শীৰ্ষ বিষয়াসকল  বহুবাৰ আলোচনাত মিলিত হৈছে। এই ক্ষেত্ৰত আন্তঃৰাজ্যিক আঞ্চলিক সমিতিৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি দুয়োখন ৰাজ্যৰ সীমা নিৰ্ধাৰণ আৰু জৰীপৰ কাম কৰি অহা হৈছে। কালিৰ কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰ স্বাস্থ্যমন্ত্ৰী বিয়ুৰাম ৱাগে, পাকেকেচাং জিলাৰ আয়ুক্ত বাণীলেগৰ লগতে বিশ্বনাথ জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক তথা বন সংমণ্ডল প্ৰাধিকাৰী আৰু সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

oooooo

শ্ৰীভূমি জিলাৰ এৰালিগুলৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ প্ৰাণী বিদ্যা বিভাগে কালি এখন ৱেবিনাৰৰ আয়োজন কৰে। মহাবিদ্যালয়খনৰ কেৰিয়াৰ গাইডেন্স এণ্ড প্লেচমেন চেল আৰু ইণ্টাৰনেল কোৱালিটি এচিউৰেন্স চেলৰ সহযোগত **জীৱ বিজ্ঞান আৰু প্ৰাণী বিদ্যা বিষয়ৰ বাবে চি ইউ ই টি পৰীক্ষাৰ প্ৰস্তুতি** শীৰ্ষক এই ৱেবিনাৰখন অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে চি ইউ ই টি পৰীক্ষাত সফল হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক সঠিক দিক

নিৰ্দেশনা প্ৰদানৰ লক্ষ্য লোৱা হয়। ৰেবিনাৰত মুখ্য বক্তা হিচাপে ধেমাজি কলেজৰ প্ৰাণী বিদ্যা বিভাগৰ সহকাৰী অধ্যাপক ড০ খায়ৰুজ্জামান মজুমদাৰে চি ইউ ই টি পৰীক্ষাৰ গঠন আৰু প্ৰশ্নকাকতৰ ধৰণ, জীৱ বিজ্ঞান আৰু প্ৰাণী বিদ্যাৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু তাৰ প্ৰস্তুতিৰ সন্দৰ্ভত আলোচনা কৰে। এই ৰেবিনাৰত ভালেসংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত কালি বিশিষ্ট গল্পকাৰ প্ৰশান্ত শইকীয়াক চলিত বৰ্ষৰ বিশ্ব মহাবীৰ চিলাৰায় বঁটা প্ৰদান কৰা হয়। এই বঁটাত মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবি, প্ৰশস্তিপত্ৰ, চেলেং, কোচ-ৰাজবংশীসকলৰ পৰম্পৰাগত পোচাক আৰু এটা পিতলৰ স্মাৰক আছে। শ্ৰী শইকীয়াই সোণোৱাল-কছাৰী জনগোষ্ঠীৰ তত্ব বিশ্লেষণ, অন্বেষণ, সংস্কৃতিৰ স্বৰ্ণৰেখা, সাহিত্য মণিষা দৰ্শনৰ দৰে ভালেমান প্ৰৱন্ধ সংকলন ৰচনা কৰাৰ লগতে কেইবাখনো গ্ৰন্থও ৰচনা কৰিছে। এই অনুষ্ঠানত শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হীৰেন্দ্ৰনাথ শৰ্মাই মুখ্য অতিথি হিচাপে অংশ লৈ চিলাৰায়ৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰে।

০০০০০০

**সমাপ্ত**